# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

নং ঃ ১২৩/২০২০

## গুৱাহাটীৰ কৃত্ৰিম বানপানী ৰোধ কৰাৰ বাবে গুৱাহাটী উন্নয়ন বিভাগে লোৱা পদক্ষেপৰ পৰ্যালোচনা কৰিলে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ১৮ মাৰ্চ ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি জনতা ভৱনস্থিত মুখ্যমন্ত্ৰীৰ সভাকক্ষত অনুষ্ঠিত এক বৈঠকত গুৱাহাটীৰ কৃত্ৰিম বানপানী ৰোধ কৰাৰ বাবে গুৱাহাটী উন্নয়ন বিভাগে লোৱা ব্যৱস্থাৱলীৰ পৰ্যালোচনা কৰে।

বৈঠকত মুখ্যমন্ত্ৰীয়ে গুৱাহাটী পৌৰ নিগমক মে'ৰ প্ৰথম সপ্তাহৰ ভিতৰত গুৱাহাটীৰ নৰ্দমা আৰু জলাশয়সমূহৰ আৱৰ্জনা নিষ্কাষণৰ কাম সম্পূৰ্ণ কৰাৰ পদক্ষেপ ল'বলৈ নিৰ্দেশ দিয়ে যাতে বাৰিষা আৰম্ভ হোৱাৰ আগে আগে এইসমূহত জলধাৰা কোনো বাধাপ্ৰাপ্ত নোহোৱাকৈ যাব পাৰে। বৈঠকত মুখ্যমন্ত্ৰীয়ে ভৰলু নদী পুনৰুজ্জীৱিতকৰণৰ উপায় উলিওৱাৰ ওপৰতো গুৰুত্ব আৰোপ কৰি বাৰিষা কালত মেঘালয়ৰ পৰা নামি অহা বৰষুণৰ অতিৰিক্ত পানী জমা কৰি ৰখাৰ বাবে জলাশয় উন্নীতকৰণৰ পদক্ষেপ লোৱাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে।

মহানগৰীৰ কৃত্ৰিম বানপ্ৰৱণ এলেকাসমূহত বিভাগৰ দ্বাৰা জনসচেতনতাৰ কাৰ্যসূচী হাতত লোৱাৰ বাবে বিষয়াবৰ্গক নিৰ্দেশ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে এই দিশত স্থানীয় জনসাধাৰণক আস্থাত ৰাখি পদক্ষেপ ল'বলৈ নিৰ্দেশ দিয়ে যাতে নলা-নৰ্দমাসমূহত প্লাষ্টিককে ধৰি অন্যান্য আৱৰ্জনাসমূহ পেলাই দিয়াৰ দিশত জনসাধাৰণ সজাগ আৰু সচেতন হয়। এনেকুৱা কামৰ বাবে জনসাধাৰণক জবাবদিহি কৰাৰ পদক্ষেপ ল'বলৈও বিষয়াবৰ্গক মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। এই সজাগতা কাৰ্যসূচীত সংবাদসেৱীসকলক জড়িত কৰাৰ ওপৰতো মুখ্যমন্ত্ৰীয়ে গুৰুত্ব আৰোপ কৰে যাতে চৰকাৰে কৃত্ৰিম বানপানী ৰোধ কৰাৰ বাবে লোৱা পদক্ষেপসমূহ উপযুক্ত ৰূপত আলোকপাত কৰিব পৰা যায়। এই সজাগতাৰ কাৰ্যসূচীসমূহত স্বেচ্ছাসেৱী সংস্থা তথা ব্যক্তিগত খণ্ডৰ অংশীদাৰসকলকো জড়িত কৰোৱাৰ বাবে মুখ্যমন্ত্ৰীয়ে পৰামৰ্শ দিয়ে যাতে জনসাধাৰণে আৱৰ্জনাৰ উপযুক্ত ব্যৱস্থাপনা সম্পৰ্কত অৱগত হৈ মহানগৰীত নৰ্দমাসমূহ পৰিষ্কাৰ কৰি ৰাখে।

আজিৰ এই পৰ্যালোচনা বৈঠকতে এপিডিচিএলৰ দ্বাৰা মুক্ত বৈদ্যুতিক তাৰসমূহৰ উপযুক্ত আৱৰণ, ষ্ট্ৰীট লাইট আদিৰ উপযুক্ত পৰিচালনা, বানপানীৰ সময়ত এন ডি আৰ এফ আৰু এছ ডি আৰ এফ বাহিনীক সাজু কৰা, শিলসাকোঁ বিলৰ পৰা জলজ উদ্ভিদ নিষ্কাষণ, ফ্লাড ফ্ৰী গুৱাহাটী মিছন, ৰে'লৰে লাইনৰ অধীনত থকা নৰ্দমাসমূহ পৰিষ্কাৰ ইত্যাদি বিষয়সমূহো পৰ্যালোচনা কৰা হয়।

বৈঠকত গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য, পৰিৱেশ আৰু বন বিভাগৰ মন্ত্ৰী পৰিমল শুক্লবৈদ্য, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী যোগেন মহন, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সঞ্জয় লোহিয়াৰ উপৰি জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে।

**স্বাঃডেঃ / বঃভাঃ**
**১৮/০৩/২০২০**